গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ
গৃহপঞ্জী
চতুৰ্থ ষান্মাসিক
অসমীয়া স্নাতকোত্তৰ, শৈক্ষিক বৰ্ষঃ ২০২৩-২৪ (জানুৱাৰী)

নিৰ্দেশাৱলীঃ—

(১) কেৱল ২০২৩-২৪ (জানুৱাৰী) শৈক্ষিক বৰ্ষৰ বাবে নামভৰ্তি কৰা শিক্ষাৰ্থীসকলে গৃহপঞ্জী লিখিব।
(২) শিক্ষাৰ্থীসকলে নিজৰ ৰোল নং, জি. ইউ. পঞ্জীয়ন নম্বৰ, বিষয়, ষান্মাসিক, পাঠ্যবিষয়ৰ শিৰোনাম, কাকত নং আৰু অধ্যয়ন কেন্দ্ৰৰ নাম উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।
(৩) গৃহপঞ্জীৰ ফৰ্মেটটো GUCDOE ৱেবছাইটত উপলব্ধ। শিক্ষাৰ্থীসকলে সেই ফৰ্মেটটো ডাউনলোড কৰি তাতেই উত্তৰ প্ৰস্তুত কৰিব লাগিব।
(৪) প্ৰতিখন কাকতৰ বাবে দুটা বাধ্যতামূলক প্ৰশ্ন থাকিব। দুয়োটা প্ৰশ্নৰ বাবে এটাকৈ বিকল্প থাকিব। প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ১০। (মুঠ নম্বৰঃ ২ টা প্ৰশ্ন × ১০ নম্বৰ = ২০ নম্বৰ)
(৫) টাইপিং অথবা কম্পিউটাৰাইজ্ উত্তৰ বহী গ্ৰহণ কৰা নহ'ব। শিক্ষাৰ্থীসকলে নিজ হাতে লিখা উত্তৰ বহী জমা দিব লাগিব।
(৬) ১০ নম্বৰৰ বাবে প্ৰতিটো প্ৰশ্নোত্তৰ ৪০০ শব্দৰ ভিতৰত হ'ব লাগিব।
(৭) উত্তৰ লিখনত অন্য উৎসৰ পৰা আংশিক বা সম্পূৰ্ণভাৱে হুবহু প্ৰশ্নোত্তৰ লিখাটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।
(৮) GUCDOE-ৰ অধীনত বিভিন্ন Study Centre-ৰ শিক্ষাৰ্থীসকলে নিজ নিজ অধ্যয়ন কেন্দ্ৰত গৃহপঞ্জী জমা দিয়াটো বাধ্যতামূলক।
(৯) GUCDOE কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে GUCDOE কাৰ্যালয়ত নিজৰ গৃহপঞ্জী জমা দিব।
(১০) **গৃহপঞ্জীৰ জমা দিয়াৰ অন্তিম তাৰিখ ২৭ এপ্ৰিল, ২০২৬।**

ASM-4016 (পাঠ-সমীক্ষা আৰু লিপি অধ্যয়ন)

১ নং প্ৰশ্নঃ (ক) অসমীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰক। ১০

অথবা

(খ) পাঠ-সমীক্ষাৰ বিষয়ে বিভিন্ন পণ্ডিতে আগবঢ়োৱা সংজ্ঞা সমূহৰ আধাৰত পাঠ-সমীক্ষাৰ এটি গ্ৰহণযোগ্য সংজ্ঞা নিৰূপন কৰক। ১০

২ নং প্ৰশ্নঃ (ক) পাঠ-আৱিষ্কাৰ বুলি কি বুজায় চমুকৈ আলোচনা কৰক। ১০

অথবা

(খ) পাঠ-প্ৰমাদ বা পাঠ-বিকৃতি বুলিলে কি বুজায় আলোচনা কৰক। ১০

ASM-4026 (প্ৰয়োগ ভাষাবিজ্ঞান)

১ নং প্ৰশ্নঃ (ক) স্বাভাৱিক ভাষা সংসাধন বা Natural Language Processing (NLP) মানে কি বুজাই লিখক। ১০

অথবা

(খ) বাক্‌ধাৰা বিশ্লেষণত ব্যাকৰণগত সংযুক্তি সম্পৰ্কে ব্যাখ্যা কৰক। ১০

২ নং প্ৰশ্নঃ (ক) অভিধান তত্ত্বৰ পৰিসৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰক। ১০

অথবা

(খ) প্ৰথম ভাষা মানে কি? প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা শিক্ষাৰ পাৰ্থক্যসমূহ উল্লেখ কৰক। ১০

ASM-4046 (অসমীয়া চুটিগল্পঃ ১৮৯২-২০১৫)

১ নং প্ৰশ্নঃ (ক) অসমীয়া চুটি গল্পৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰক। ১০

অথবা

(খ) জোনাকী যুগৰ চুটিগল্পৰ বিষয়বস্তু সম্পৰ্কে লিখক। ১০

২ নং প্ৰশ্নঃ (ক) লক্ষ্মীধৰ শৰ্মাৰ পৰিচয় সম্পৰ্কে দাঙি ধৰি তেওঁৰ 'ব্যৰ্থতাৰ দান' গল্পটোৰ মাজেৰে নাৰী মনস্তত্ব কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰক। ১০

অথবা

(খ) মহিম বৰাৰ গল্পৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা যুগুত কৰক। ১০

ASM-4056 (ভাৰতীয় আৰ্যভাষাসমূহৰ তুলনামূলক অধ্যয়ন)

১ নং প্ৰশ্নঃ (ক) সংস্কৃতৰ স্বৰধ্বনিবোৰৰ শ্ৰেণীবিভাজনৰ মূল ভিত্তি কি? পালি-প্ৰাকৃতৰ স্বৰধ্বনিৰ লগত সংস্কৃত স্বৰধ্বনিৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক। ১০

অথবা

(খ) ল-কাৰ মানে কি? পালি-প্ৰাকৃতত সংস্কৃতৰ ল-কাৰ সমূহ কেনেদৰে ৰক্ষিত হৈছে বিচাৰ কৰক। ১০

২ নং প্ৰশ্নঃ (ক) অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ স্বৰধ্বনিৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক। ১০

অথবা

(খ) নিৰ্দিষ্টতাবাচক প্ৰত্যয় কি? অসমীয়া ভাষাৰ লগত যিকোনো এটা মগধীয় ভাষাৰ নিৰ্দিষ্টতাবাচকক প্ৰত্যয়ৰ তুলনা দাঙি ধৰক। ১০

ASM-4086 (পাশ্চাত্য সাহিত্য সমালোচনা)

১ নং প্ৰশ্নঃ (ক) গ্ৰীক-ৰোমান সাহিত্য সমালোচনা বুলিলে কি বুজায়? ইয়াৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰক। ১০

অথবা

(খ) এৰিষ্টটলৰ "প'য়েটিক্স" গ্ৰন্থৰ এটা সমালোচনাত্মক পৰিচয় দাঙি ধৰক। ১০

২ নং প্ৰশ্নঃ (ক) টি. এছ. এলিয়টৰ সাধাৰণ পৰিচয় দাঙি ধৰি কবিতা আৰু সমালোচনাৰ জগতখনত তেওঁৰ অৱদান সম্পৰ্কে চমুকৈ লিখক। ১০

অথবা

(খ) আধুনিকতাবাদৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰক। ১০

ASM-4116 (অসমৰ তিব্বত-বৰ্মীয় ভাষা)

১ নং প্ৰশ্নঃ (ক) অসমত প্ৰচলিত তিব্বত-বৰ্মীয় ভাষাসমূহৰ চমু পৰিচয় দাঙি ধৰক। ১০

অথবা

(খ) 'তিব্বত-বৰ্মীয় ভাষাত আৰ্য উপাদান'— শীৰ্ষক এটি প্ৰৱন্ধ যুগুত কৰক। ১০

২ নং প্ৰশ্নঃ (ক) অসমত প্ৰচলিত যিকোনো দুটা তিব্বত-বৰ্মীয় ভাষাৰ নিৰ্দিষ্ট ধ্বনি সম্পৰ্কে আলোচনা কৰক। ১০

অথবা

(খ) গঠনৰ দিশৰ পৰা অসমীয়া আৰু অসমত প্ৰচলিত তিব্বত-বৰ্মীয় ভাষাৰ বিশ্লেষণৰ মাজত কি কি সাদৃশ্য বা বৈসাদৃশ্য আছে। ১০

—×—